**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-03-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হোলী উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

২। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ তিনিদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ অসমত উপস্থিত হ'ব।

৩। শ্ৰীলংকা চৰকাৰৰ জৰুৰী অনুৰোধৰ প্ৰতি সঁহাৰি জনাই দেশখনৰ হাস্পতালসমূহলৈ ভাৰতৰ পৰা ৫০ হাজাৰ এম্পুলছ ফ'ৰচেমাইড টীকা পঠোৱা হৈছে।

৪। মুম্বাইৰ ব্ৰবৰ্ণ ষ্টেডিয়ামত মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এলিমিনেটৰ খেলখনত আজি মুম্বাই ইণ্ডিয়ানছ-গুজৰাট জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

*আৰু*

৫। ইটালীত চলি থকা বিশেষ অলিম্পিক - বিশ্ব শীতকালীন ক্ৰীড়াৰ দ্বিতীয় দিনা ভাৰতৰ পদকৰ সংখ্যা ৯লৈ বৃদ্ধি হৈছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে হোলী উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাযোগে ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে ৰঙৰ উৎসৱ হোলীয়ে আনন্দ আৰু উৎসাহ কঢ়িয়াই আনে। এই উৎসৱে আমাৰ জীৱনত ঐক্য আৰু ভাতৃত্ববোধৰ মনোভাৱ জগাই তোলে বুলি তেওঁ কয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হোলী উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰি সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে আনন্দ আৰু সুখেৰে ভৰা এই উৎসৱে সকলোৰে জীৱনত নতুন উদ্যম আৰু শক্তিৰ সঞ্চাৰ কৰিব। এই উৎসৱে দেশবাসীৰ মাজত ঐক্যৰ ৰং গভীৰ কৰি তুলিব বুলি তেওঁ কয়।

ooooo

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ তিনিদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ অসমত উপস্থিত হ'ব। অসম ভ্ৰমণকালত শ্ৰীশ্বাহে নিখিল বড়ো ছাত্ৰ সন্থা এবছুৰ বাৰ্ষিক সন্মিলনসহ কেইবাটাও অনুষ্ঠানত অংশগ্ৰহণ কৰিব। শ্ৰী শ্বাহে পৰহিলৈ ডেৰগাঁৱত লাচিত বৰফুকন পুলিচ একাডেমীৰ নৱনিৰ্মিত ভৱন মুকলি কৰিব।

পাছত তেওঁ ডেৰগাঁৱৰ পৰা মিজোৰামলৈ যাব। তাত মন্ত্ৰীগৰাকীয়ে দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ ঘাটি আইজলৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জোখছাঙলৈ স্থানান্তৰিত কৰা অনুষ্ঠানত ভাগ ল'ব। যোৱা বছৰৰ ২৩ অক্টোবৰত নতুন দিল্লীত মিজোৰাম চৰকাৰ আৰু আছাম ৰাইফলছে বাহিনীটোৰ ঘাটি আইজলৰ পৰা জোখাওছঙলৈ স্থানান্তৰিত কৰাৰ বাবে চুক্তি সম্পাদন কৰিছিল।

ইয়াৰ পাছতে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী মিজোৰামৰ পৰা পোনে পোনে গুৱাহাটীত উপস্থিত হ'ব। শ্ৰী শ্বাহে ১৬ মাৰ্চত কোকৰাঝাৰৰ দোতমাত হ'বলগীয়া এবছুৰ অধিৱেশনত অংশগ্ৰহণ কৰিব আৰু উত্তৰ-পূৰ্বাঞ্চলত নতুন ফৌজদাৰী আইন তিনিখনৰ ৰূপায়ণ সন্দৰ্ভত গুৱাহাটীত আয়োজিত এখন পৰ্যালোচনা বৈঠকত মিলিত হ'ব। ইয়াৰ পাছত তেওঁ নতুন দিল্লীলৈ উভতি যাব।

ooooo

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে কণ্টেণ্ট ক্ৰিয়েটৰসকলক দেশৰ ডিজিটেল এম্বেচেদৰ হিচাপে আখ্যা দিছে। নতুন দিল্লীত আজি এটা অনুষ্ঠানত ভাষণ দি শ্ৰীগোৱেলে কয়, যে দায়িত্বশীল বিষয়বস্তু, অভিনৱ কাহিনী, দক্ষতা বিকাশ আৰু ভাৰতীয় সৃষ্টিশীলতাৰ প্ৰচাৰ হৈছে সৃষ্টিশীল উদ্যোগ ক্ষেত্ৰখনৰ চাৰিটা মূল দিশ। তেওঁ দেশৰ সৃষ্টিশীল খণ্ডত থকা বিশাল সুযোগসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয়, যে এই উদ্যোগটো বৰ্তমান বহু কোটি টকাৰ খণ্ডত পৰিণত হৈছে আৰু ইয়াৰ জৰিয়তে সমগ্ৰ দেশৰ বৃহৎ সংখ্যক লোকে কৰ্ম-সংস্থাপন লাভ কৰিছে। এই খণ্ডটোৰ সৈতে জড়িত লোকসকলৰ ধাৰণা আৰু প্ৰযুক্তি বিকাশত সহায় কৰাৰ ক্ষেত্ৰত সুবিধা প্ৰদানকাৰী হিচাপে চৰকাৰৰ ভূমিকাৰ বিষয়েও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ সৃষ্টিশীলতা, দৃশ্য-শ্ৰব্য কলা আৰু কণ্টেণ্ট প্ৰডাকচনৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ সৈতে দেশৰ ক্ৰমবৰ্ধমান সংযোগৰ ওপৰতো আলোকপাত কৰে।

ooooo

ভাৰতে শ্ৰীলংকাৰ চৰকাৰৰ জৰুৰী অনুৰোধৰ প্ৰতি সঁহাৰি জনাই দেশখনৰ হাস্পতালসমূহলৈ ৫০ হাজাৰ এম্পুলছ ফ'ৰচেমাইড টীকা পঠিয়াইছে। দেশখনত থকা ভাৰতীয় উচ্চায়ুক্ত সন্তোষ ঝাই শ্ৰীলংকাৰ স্বাস্থ্য আৰু গণমাধ্যম দপ্তৰৰ মন্ত্ৰী ড০ নলিন্দা জয়াতিছাৰ হাতত এই সামগ্ৰীসমূহ অৰ্পণ কৰে।

ভাৰতে প্ৰতিবেশী দেশ শ্ৰীলংকালৈ ধাৰাবাহিকভাৱে সহায় আগবঢ়াই আহিছে। ইয়াৰ পূৰ্বেও দেশখনলৈ বিভিন্ন ঔষধ, কোৱিড নাইণ্টিনৰ প্ৰতিষেধকৰ লগতে ১ ডলাৰ বিলিয়নৰ ঋণ আগবঢ়াইছিল। শেহতীয়াকৈ পঠোৱা এই টীকাসমূহৰ জৰিয়তে ভাৰতে দেশখনৰ স্বাস্থ্যখণ্ডৰ মূল অংশীদাৰ হিচাপে ভূমিকা পালন কৰিছে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি তেওঁৰ সংসদীয় সমষ্টি গান্ধী নগৰত ১৪৬ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। ভাৰ্চুৱেল ব্যৱস্থাৰ জৰিয়তে অংশগ্ৰহণ কৰা এই অনুষ্ঠানত ৰে'ল, স্থলপথ আৰু স্বাস্থ্য খণ্ডৰ প্ৰকল্পসমূহক সামৰি লোৱা হৈছে। অনুষ্ঠানত অংশগ্ৰহণ কৰি গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্যখনত ৰে'লৱে, পথ আৰু শক্তিখণ্ডৰ সৈতে জড়িত কেইবাটাও জনমুখী প্ৰকল্পৰ সৈতে উল্লেখযোগ্য অগ্ৰগতি  লাভ কৰিছে। স্বানন্দ অঞ্চলত নতুনকৈ এখন ৫০০ খন বিছনাযুক্ত চিকিৎসালয় আৰু গান্ধী নগৰত এখন নতুন অসামৰিক চিকিৎসালয় স্থাপনৰ বাবে চৰকাৰে সিদ্ধান্ত লৈছে বুলিও তেওঁ ঘোষণা কৰে।

ooooo

প্ৰসাৰ ভাৰতীৰ শব্দ প’ৰ্টেলৰ সেৱাই চলিত মাহত এবছৰ সম্পূৰ্ণ কৰিলে। এই সেৱাৰ সময় অহা বছৰলৈ পুনৰ বৃদ্ধি কৰা হৈছে।  অহা বৰ্ষৰ মাৰ্চ মাহলৈকে শব্দ প’ৰ্টেলে বিনামূলীয়া সেৱা আগবঢ়াই থাকিব বুলি প্ৰসাৰ ভাৰতীৰ সূত্ৰই প্ৰকাশ কৰিছে। ১৫শতকৈও অধিক সাংবাদিক, সংবাদদাতা তথা অন্যান্যসকলে দূৰদৰ্শন আৰু আকাশবাণীৰ বাতৰিসমূহ এই প’ৰ্টেলৰ যোগেদি প্ৰচাৰ কৰে। এই প’ৰ্টেলত কৃষি, প্ৰযুক্তি, বৈদেশিক পৰিক্ৰমা আৰু ৰাজনীতি সম্পৰ্কীয় বাতৰিসমূহ সকলোবোৰ ভাৰতীয় ভাষাতে পোৱা যায়।

০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই কয়, যে কেন্দ্ৰীয় চৰকাৰে কৌশলগত নীতি আৰু পদক্ষেপেৰে যুৱ প্ৰজন্মক সৱল কৰাৰ প্ৰতিশ্ৰুতি দিছে, যাতে ২০৪৭ চনত উন্নত ভাৰত গঢ়াৰ লক্ষ্যক বাস্তৱায়িত কৰিব পাৰে। কালি সন্ধিয়া কাশ্মীৰ বিশ্ববিদ্যালয়ত অনুষ্ঠিত **বিকশিত ভাৰত - যুৱ প্ৰজন্মৰ সংযোগ** শীৰ্ষক এটা অনুষ্ঠানত ড০ মন্দাভিয়াই ভৱিষ্যতৰ ভাৰত নিৰ্মাণত যুৱ প্ৰজন্মৰ প্ৰধান ভূমিকাত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে যুৱ প্ৰজন্মৰ শক্তি, অভিলাষ আৰু উদ্ভাৱনে ভাৰতৰ উন্নয়নৰ যাত্ৰাত সহায় কৰিব। শ্ৰীমন্দাভিয়াই কয়, যে উন্নত ভাৰতৰ সপোন দেশৰ যুৱ প্ৰজন্মৰ প্ৰতিভা আৰু উৎসৰ্গাৰ মনোভাৱৰ পৰা উপলব্ধি কৰিব পৰা যাব।

০০০০০

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে বয়সৰ জালিয়াতি ৰোধ কৰা, প্ৰকৃত খেলুৱৈক সুৰক্ষা দিয়া আৰু নিৰপেক্ষ তথা ন্যায্য প্ৰতিযোগিতা নিশ্চিত কৰাৰ লক্ষ্যৰে ক্ৰীড়া ক্ষেত্ৰত সংঘটিত বয়সৰ জালিয়াতিৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় সংহিতা-২০২৫ৰ খচৰাৰ ওপৰত জনসাধাৰণ আৰু অংশীদাৰসকলৰ মতামত আমন্ত্ৰণ জনাইছে। প্ৰস্তাৱিত সংহিতাত বয়সৰ ভুৱা তথ্যৰ বাবে কঠোৰ শাস্তি আৰু কেন্দ্ৰীভূত পৰীক্ষণ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে। মূল ব্যৱস্থা সমূহৰ ভিতৰত আছে - বাধ্যতামূলক বয়স পৰীক্ষণ, এটা ৰাষ্ট্ৰীয় ডাটাবেচ, কিউ আৰ সক্ষম পৰিচয় পত্ৰ আৰু বিসংগতিৰ বাবে চিকিৎসা পৰীক্ষা। অংশীদাৰ আৰু জনসাধাৰণে তেওঁলোকৰ পৰামৰ্শসমূহ section.sp3-moyas....gov.in এই ই-মেইলযোগে মন্ত্ৰালয়লৈ প্ৰেৰণ কৰিব পাৰিব।

০০০০০

মেডিন পূৰ্ণিমা পয়া দিৱস উপলক্ষে কলম্বোত থকা ভাৰতীয় উচ্চায়ুক্তই আজি সিংহলী ভাষালৈ অনুবাদ কৰা ৫০০ খন অমৰ চিত্ৰকথা জাতকৰ সাধু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিতৰণ কৰে। এই চিত্ৰকথাসমূহ শ্ৰী পাগংনাথিছা ধৰ্ম বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিতৰণ কৰা হয়। উল্লেখযোগ্য যে, অনুবাদিত এই চিত্ৰকথাসমূহৰ জৰিয়তে বুদ্ধৰ বাণী যুৱ প্ৰজন্মৰ মাজত প্ৰচাৰৰ চেষ্টা কৰা হৈছে। কাহিনীসমূহৰ জৰিয়তে শিক্ষাৰ্থীসকলৰ মনত মানৱীয় প্ৰমূল্যবোধ জগাই তুলিবলৈ উৎসাহিত কৰা হৈছে।

স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ সঞ্চালক অধ্যাপক অংকুৰণ দত্তই প্ৰতীকীভাৱে এই চিত্ৰকথাসমূহ অৰ্পণ কৰিছে। এই প্ৰচেষ্টাই ভাৰত আৰু শ্ৰীলংকাৰ মাজত সাংস্কৃতিক সম্পৰ্ক সুদৃঢ় কৰাৰ লগতে বৌদ্ধ ঐতিহ্যৰ প্ৰচাৰতো বিশেষ সহায় কৰিব। ভাৰতৰ উচ্চায়ুক্তই কয়, যে শ্ৰীলংকাৰ বিদ্যালয়সমূহত প্ৰতি দেওবাৰে জাতকৰ সাধুকিতাপ বিতৰণ কৰা হ’ব, যাতে শিক্ষাৰ্থীসকলে বুদ্ধদেৱৰ বাণীসমূহৰ সৈতে গভীৰ সংযোগ স্থাপন কৰিব পাৰে।

০০০০০

মুম্বাইৰ ব্ৰবৰ্ণ ষ্টেডিয়ামত মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এলিমিনেটৰ খেলখনত আজি মুম্বাই ইণ্ডিয়ানছ-গুজৰাট জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন কিছুসময়ৰ পাছতে আৰম্ভ হ’ব।

পইণ্ট তালিকাৰ শীৰ্ষত থকা দেলহী কেপিটেলছে ইতিমধ্যে ফাইনেলত প্ৰৱেশ কৰিছে। তালিকাৰ দ্বিতীয় স্থানৰ মুম্বাই ইণ্ডিয়ানছ্ আৰু তৃতীয় স্থানত থকা গুজৰাট জায়েণ্টছে কাইলৈ এলিমিনেটৰ খেলখনৰ জৰিয়তে ফাইনেলত প্ৰৱেশৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাব। অহা ১৫ মাৰ্চত একেখন ষ্টেডিয়ামতে মহিলা প্ৰিমিয়াৰ লীগৰ ফাইনেল খেলখন খেলোৱা হ'ব।

০০০০০

ইটালীত চলি থকা বিশেষ অলিম্পিক - বিশ্ব শীতকালীন ক্ৰীড়াৰ দ্বিতীয় দিনা ভাৰতে দুটা সোণ, দুটা ৰূপ আৰু এটা ব্ৰঞ্জেৰে মুঠ পদকৰ সংখ্যা ৯লৈ বৃদ্ধি কৰিছে। স্নোবোৰ্ডিঙত আজি ভাৰতীয়ে সোণৰ পদক আৰু হৰ্ষিতা ঠাকুৰে ব্ৰঞ্জৰ পদক দখল কৰে। এলপাইন স্কিৰিঙতো ভাৰতীয় খেলুৱৈসকলে উন্নত প্ৰদৰ্শন কৰে। এই শিতানত নিৰ্মলা দেৱীয়ে সোণৰ আৰু ৰাধা দেৱীয়ে ৰূপৰ পদক অৰ্জন কৰে। স্কীৰিঙৰ পুৰুষৰ শিতানত ভাৰতৰ অভিষেক কুমাৰে ৰূপৰ পদক অৰ্জন কৰে।

০০০০০

**সমাপ্ত**